

দৈনিক অসম

DAINIK ASAM, Dibrugarh, Thursday, November 2, 2023

দৈনিক অসম, ডিব্ৰুগড়, বৃহস্পতিবাৰ, ২ নৱেম্বৰ, ২০২৩



## কানৈ কলেজত কেন্দ্ৰীয় শিক্ষা ৰাজ্যমন্ত্ৰী ডঃ ৰাজকুমাৰ ৰঞ্জন সিং

# ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ উদ্দেশ্য ভাৰতক বিশ্বগুৰু কৰা

নিজা বাতৰি দিওঁতা

**ডিব্ৰুগড়, ১ নৱেম্বৰ ঃ** ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়, এন এল বি চিটি মহাবিদ্যালয়, অসম কলেজ শিক্ষক সংস্থা, ডিব্ৰুগড় মণ্ডল আৰু বিদ্যাভাৰতী উচ্চ শিক্ষা সংস্থানৰ উদ্যোগত কানৈ মহাবিদ্যালয়ৰ লালচান্দ কানৈ প্ৰেক্ষাগৃহত আজি এক বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। 'ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ আৰু উচ্চ শিক্ষানুষ্ঠানসমূহৰ ভূমিকা' শীৰ্যক বিষয়ত অনুষ্ঠিত হোৱা বক্তৃতানুষ্ঠানত সমল ব্যক্তি হিচাপে উপস্থিত থাকি বক্তৃতা দিয়ে কেন্দ্ৰীয় বহিঃপৰিক্ৰমা আৰু শিক্ষা বিভাগৰ ৰাজ্যমন্ত্ৰী ডঃ ৰাজকুমাৰ ৰঞ্জন সিঙে। তেওঁ কয় যে অতীজৰেপৰা শিক্ষাৰ ক্ষেত্ৰত ভাৰতবৰ্ষ এখন আগৰণুৱা দেশ। তক্ষশিলা, নালন্দা আদি বিশ্ববিদ্যালয়ৰ প্ৰসংগ উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে অতীজতে বিশ্ববিদ্যালয়সমূহে সমগ্ৰ বিশ্বতে শিক্ষাৰ পোহৰ বিলাবলৈ সক্ষম হৈছিল। ভাৰতবৰ্ষৰ পৌৰাণিক শিক্ষা ব্যৱস্থাৰপৰা আধুনিক শিক্ষা ব্যৱস্থালৈকে সকলো সামৰি ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ প্ৰস্তুত কৰা হৈছে। ৰাষ্ট্ৰীয় শিক্ষানীতি ডিজিটেল ইউনিভাৰ্ছিটী আৰু একাডেমিক বেংক অব্ ক্ৰেডিট ব্যৱস্থাতো অন্তৰ্ভুক্ত কৰা হৈছে। তেওঁ কয় যে ৰাষ্ট্ৰীয় শিক্ষানীতিৰ মূল উদ্দেশ্য হৈছে ভাৰতবৰ্ষক বিশ্বগুৰু হিচাপে প্ৰতিষ্ঠা কৰা। অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে ডিব্ৰুগড় জিলাৰ বিভিন্ন মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকলৰ সৈতে মত বিনিময় কৰে। ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ অধ্যাপিকা ডঃ তৃষ্ণা দুৱৰা কলিতাই আঁতধৰা অনুষ্ঠানত আদৰণী ভাষণ দিয়ে মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াই। অধ্যাপিকা ডঃ চয়নিকা গোস্বামীৰ মঙ্গলাচাৰণেৰে শুভাৰম্ভ হোৱা অনুষ্ঠানত বিদ্যাভাৰতীয় উচ্চ শিক্ষা সংস্থানৰ ৰাজ্যিক সভাপতি ডঃ দেৱহৰি তালুকদাৰে ভাষণ দিয়ে। অনুষ্ঠানত গোৱাৰ মুখ্যমন্ত্ৰী অতিৰিক্ত ব্যক্তিগত সচিব আশুতোষ মিশ্ৰ আৰু কেন্দ্ৰীয় বহিঃপৰিক্ৰমা আৰু শিক্ষা বিভাগৰ ৰাজ্যমন্ত্ৰী ডঃ ৰাজকুমাৰ ৰঞ্জন সিঙৰ অতিৰিক্ত ব্যক্তিগত সচিব চেৰাম তন্বী মেইটিয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত ডি এইচ এছ কানৈ মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি অভিমন্যু বৰুৱা, ডিব্ৰুগড় সমষ্টিৰ বিধায়ক প্ৰশান্ত ফুকন আদি ভালেসংখ্যক ব্যক্তি উপস্থিত থাকে।